# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 28-11-2025

**Time:** 13-40 Hrs

***Assamese Midday Bulletin***

***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাটাও অনুষ্ঠানত অংশ গ্ৰহণৰ উদ্দেশ্য আজি কৰ্ণাটকৰ উদুপিত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ছত্তিশগড়লৈ যাব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লক্ষ্ণৌ ভ্ৰমণ কৰি দুটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। দেশৰ সাৰ্বভৌমত্ব আৰু নাগৰিকৰ নিৰাপত্তাৰ বিষযত কেতিয়াও আপোচ নকৰে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰে। *আৰু*

৫। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সকলো উন্নয়নশীল দেশৰ পৰা দেশখনলৈ হোৱা প্ৰব্ৰজন স্থায়ীভাৱে প্ৰতিৰোধ কৰা বিষয়ে পৰিকল্পা কৰিছে বুলি ঘোষণা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদুপি পাৰায়া শ্ৰী পুথিগে মঠ গোটৰ  দ্বাৰা আবৃত্তি কৰিবলগীয়া ভাগৱত গীতাৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ কৰ্ণাটকৰ উদুপিত উপস্থিত হৈছে। তাত তেওঁ সোণেৰে  আবৃত তীৰ্থ মণ্ডপ উদ্বোধন কৰিব আৰু সুবৰ্ণ খচিত কনকা কিন্দি ৰাইজৰ বাবে উচৰ্গা কৰিব, যিখন পবিত্ৰ খিৰিকী ভগৱান কৃষ্ণই তেওঁৰ ভক্ত, সন্ত কনক দাসৰ বাবে মুকলি কৰিছিল বুলি বিশ্বাস কৰা হয়। শ্ৰীমোদীক সম্ভাষণ জনাবলৈ যথেষ্ট সংখ্যক লোক গোট খোৱাৰ লগতে তেওঁক কৰ্ণাটকৰ স্বাস্থ্যমন্ত্ৰী দীনেশ গুন্দুৰাৱে আদৰণি জনায়। ২ কিলোমিটাৰজোৰা এই ৰোডশ্বোৰ সময়ত পথৰ দুয়োকাষে সমবেত জনতাই প্ৰধানমন্ত্ৰীগৰাকীক ফুল চতিয়াই আদৰণি জনায়। এই ৰোড শ্বোৰ সময়ত যক্ষগণা আৰু হুলিবেচ নৃত্যশিল্পীসকলে নৃত্যানুষ্ঠান প্ৰদৰ্শন কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদী উদুপি শ্ৰীকৃষ্ণ মঠত উপস্থিত হৈ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ইযাৰ পাছতে প্ৰধানমন্ত্ৰীগৰাকীয়ে গোৱালৈ ৰাওনা হব। গোৱা ভ্ৰমণকালত শ্ৰীমোদীয়ে সাৰধা পঞ্চাষ্টমানোৎসৱ উপলক্ষে শ্ৰীসংস্থান গোকৰ্ণ পৰতগলি জীৱোত্তম মঠৰ ৫৫০ সংখ্যক বৰ্ষ উদযাপন অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমোদীয়ে লগতে মঠটোত ব্ৰঞ্জৰে নিৰ্মাণ কৰা শ্ৰীৰামৰ ৭৭ ফুট ওখ মূৰ্তি উন্মোচন কৰিব আৰু ৰামায়ণ থীমপাৰ্ক মুকলি কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাৰেশত ভাষণ দিব আৰু বিশেষ ডাক টিকট তথা স্মাৰক মুদ্ৰা জাৰি কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ছত্তিশগড়লৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আৰক্ষী সঞ্চালকপ্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকসকলৰ সৰ্ব ভাৰতীয় সন্মিলনৰ ৬০ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰিব। ৰায়পুৰত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া এই সন্মিলনত শান্তি ৰক্ষাৰ ক্ষেত্ৰত থকা মূল প্ৰত্যাহ্বানসমূহ

দূৰ কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ লাভ কৰা অগ্ৰগতিৰ পৰ্য্যালোচনা কৰা হ'ব আৰু উন্নত ভাৰতৰ দৃষ্টিভংগী অনুযায়ী সুৰক্ষিত ভাৰত গঢ়াৰ বাবে বিশদ পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। সন্মিলনত শ্ৰীমোদীয়ে বিশিষ্ট সেৱাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক প্ৰদান কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু গৃহ ৰাজ্যমন্ত্ৰী বন্দী সঞ্জয় কুমাৰেও এই সন্মিলনত ভাগ ল'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি লক্ষ্ণৌ ভ্ৰমণ কৰি দুটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ২০২৫-২৬ বৰ্ষৰ বাবে ব্ৰহ্মকুমাৰীসকলৰ **বিশ্ব ঐক্য আৰু বিশ্বাসৰ বাবে ধ্যান** শীৰ্ষক বাৰ্ষিক বিষয়বস্তু মুকলি অনুষ্ঠানত ভাগ ল'ব। ইয়াৰ পাছতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰত স্কাউট আৰু গাইডৰ হীৰক জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে ইয়াৰ ১৯ সংখ্যক ৰাষ্ট্ৰীয় জাম্ব'ৰীত ভাষণ দিব।

ব্ৰহ্মকুমাৰী অতিৰিক্ত সাধাৰণ সচিব ডং মৃত্যুঞ্জয়ে জনাইছে যে, এই অনুষ্ঠানৰ পাছতে ৰাষ্ট্ৰপতিগৰাকীয়ে ধ্যান কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব আৰু ৫ গৰাকীকৈ পুৰুষ আৰু মহিলাক নিচান আৰু কলহ বিতৰণ কৰিব। এই অনুষ্ঠানত সমগ্ৰ দেশৰ প্ৰায় ৩৩ হাজাৰ স্কাউট-গাইড, ৰো'ভাৰ্চ আৰু ৰেঞ্জাৰৰ লগতে মালদ্বীপ, নেপাল, শ্ৰীলংকা আৰু চৌদি আৰবৰ এহেজাৰ ৫০০ৰো অধিক যুৱ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

০০০০

ভাৰতে শান্তি আৰু আলোচনাত বিশ্বাসী যদিও দেশৰ সাৰ্বভৌমত্ব আৰু নাগৰিকৰ নিৰাপত্তাৰ বিষযত কেতিয়াও আপোচ নকৰে। নতুন দিল্লীত অনুষ্ঠিত চানক্য প্ৰতিৰক্ষা আলোচনাত অংশ গ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি এইদৰে কয়। শ্ৰীসিঙে কয় যে ভাৰতৰ প্ৰতিৰক্ষা বাহিনীয়ে সংযম আৰু দৃঢ়তাৰে চুবৰীয়া দেশসমূহৰ পৰা অহা প্ৰত্যাহ্বান সাহসেৰে মুখামুখি হৈ আহিছে আৰু আঞ্চলিক সুস্থিৰতা স্থাপনত বিশেষ অৰিহণা আগবঢ়াইছে। তেওঁ কয় যে ভৱিষ্যতৰ সকলোবোৰ প্ৰত্যাহ্বানৰ ক্ষেত্ৰত সাহসেৰে যুজ দিবলৈ দেশৰ প্ৰতিৰক্ষা বাহিনীলৈ চৰকাৰে সকলো সুবিধা আগবঢ়াইছে। দেশৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে ভৱিষ্যতৰ প্ৰতিটো প্ৰত্যাহ্বান সাহসেৰে মযিমুৰ কৰিব পৰাকৈ দেশৰ প্ৰতিৰক্ষা বাহিনীক সাজু কৰি ৰখাৰ কথাও প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে নিৰাপত্তা আৰু যোগাযোগ দুয়োটা বিষয়ৰ প্ৰতি গুৰুত্ব আৰোপ কৰি সীমান্ত আৰু সাগৰীয় অঞ্চলত আন্তঃগাথনি বৃদ্ধি কৰিছে।

ভাৰত বৰ্তমান গোলকীয় আলোচনাক মঞ্চ দিয়াৰ লগতে ভাৰত প্ৰশান্ত মহাসাগৰীয় তথা গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে নিৰ্ভৰযোগ্য অংশীদাৰ হিচাপে পৰিগণিত হৈছে। বৰ্ধিত অৰ্থনীতি, উন্নত প্ৰযুক্তি আৰু কূটনৈতিক দায়বদ্ধতাই ভাৰসাম্য, স্থিতিশীল আৰু দায়বদ্ধ কণ্ঠ হিচাপে ভাৰতক প্ৰতিপন্ন কৰিবলৈ সমৰ্থ হৈছে বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীসিঙে লগতে কয় যে সুৰক্ষিত ভাৰত অবিহনে বিকশিত ভাৰতৰ সপোন সম্ভৱ নহয় আৰু শক্তিশালী ভাৰত অবিহনে সুৰক্ষিত ভাৰতৰ স্বপ্ন অসম্ভৱ। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুদিনীয়া এই সন্মিলন কালি উদ্বোধন কৰে। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলে প্ৰতিৰক্ষা সংস্কাৰৰ ক্ষেত্ৰত আলোচনা কৰাৰ লগতে প্ৰযুক্তিগত পৰিৱৰ্তন, সামৰিক আৰু অসামৰিক লোকৰ মাজত একতা আৰু ২০৪৭ চনত বিকশিত ভাৰত সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়।

০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে তৃতীয় বিশ্বৰ সকলো উন্নয়নশীল দেশৰ পৰা দেশখনলৈ অহা প্ৰব্ৰজন স্থায়ীভাৱে প্ৰতিৰোধ কৰা বিষয়ে পৰিকল্পা কৰিছে বুলি ঘোষণা কৰিছে। হোৱাইট হাউচৰ সমীপত এজন আফগান

নাগৰিকে আমেৰিকাৰ দুজন নেচনেল গাৰ্ডৰ সদস্যক অপ্ৰৰোচিতভাৱে গুলিওৱাৰ কেইদিনমানৰ পাছতে ৰাষ্ট্ৰপতি ট্ৰাম্পে এই ঘোষণা কৰে। এই পৰিকল্পনা বাস্তৱায়িত হলে শিক্ষা, সংস্থাপন, নিৰাপত্তা তথা আশ্ৰয়ৰ বাবে আমেৰিকালৈ যাব খোজা লাখ লাখ লোকক যথেষ্ট প্ৰভাৱিত কৰিব। ইয়াৰ ফলত আন্তৰ্জাতিক প্ৰব্ৰজনৰ স্বৰূপো সলনি হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে কঠোৰ ভাষাৰে দিয়া এটা বাৰ্তাত কয়, যে আমেৰিকা প্ৰযুক্তিগতভাৱে যথেষ্ট আগবঢ়া যদিও বিগত কিছুবছৰত দেশখনৰ প্ৰব্ৰজন নীতিয়ে ৰাষ্ট্ৰৰ বিকাশ লেহেমীয়া কৰিছে। তেওঁ লগতে জনসাধাৰণক জীৱন ধাৰণৰ মানতো ই প্ৰভাৱ পেলাইছে বুলি প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ মতে তেওঁৰ নতুন নীতিৰ জৰিয়তে দেশখনত অস্থিৰতা সৃষ্টি কৰা আৰু অবৈধ লোকৰ সংখ্যা হ্ৰাস কৰাটোৱেই মূল উদ্দেশ্য। ইয়াৰ পূৰ্বে সীমাশুল্ক আৰু প্ৰব্ৰজন সেৱা সঞ্চালক যোশেফ এডলোৱে কয় যে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ আদেশমৰ্মে এই দেশসমূহৰ পৰা অহা প্ৰতিগৰাকী নাগৰিকৰে গ্ৰীন কাৰ্ডসমূহ কঠোৰভাৱে পুনৰ নিৰীক্ষণৰ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে ভাৰতৰ নাম এই সূচীত নাই বুলি তেওঁ উল্লেখ কৰে। বুধবাৰৰ হোৱাইট হাউচৰ সমীপত সংঘটিত এই ঘটনাত আহত নেচনেল গাৰ্ডৰ এজন সৈনিকৰ অৱস্থা সংকটজনক আৰু আনজনৰ কালি মৃত্যু হয়।

০০০০

পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান কাৰাগাৰত কুশলে থকা নথকাক লৈ অনিশ্চয়তা এতিয়াও অব্যাহত আছে। আফগানিস্তানৰ এটা সংবাদমাধ্যমে আদালিয়া কাৰাগাৰৰ জিম্মাত থকা অৱস্থাত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যু হোৱা বুলি কৰা দাবীৰ পাছতে এই সন্দৰ্ভত অনিশ্চয়তাই দেখা দিয়ে। এই দাবীৰ প্ৰতিক্ৰিয়া স্বৰূপে ইমৰান খানৰ পুত্ৰ কাচিম খানে তেওঁৰ পিতৃ জীয়াই আছে নে নাই সেই কথা শীঘ্ৰে ৰাজহুৱা কৰিবলৈ দাবী জনাইছে। তেওঁ পিতৃ ইমৰান খানক শীঘ্ৰে মুকলি কৰি দিয়াৰো দাবী জনায়। এটা সামাজিক মাধ্যমত দিয়া বাৰ্তাত কাচিম খানে কালি কয় যে ইমৰান খানক কাৰাগাৰলৈ প্ৰেৰণ কৰা ইতিমধ্যে ৮৫০ দিন উকলি গৈছে। পৰিয়ালৰ সদস্যসকলৰ সৈতে যোৱা ছসপ্তাহ ধৰি ইমৰান খানক সাক্ষাৎ কৰাৰ অনুমতি দিয়া হোৱা নাই আৰু তেওঁক ডেথ চেলত ৰখা হৈছে বুলিও কাচিম খানে অভিযোগ কৰে। এনে ধৰণৰ গোপনীয়তা কোনো নিৰাপত্তাৰ খাতিৰত নহয় বৰং ইমৰান খানৰ প্ৰকৃত অৱস্থা লুকুৱাই ৰখাৰ লগতে পৰিয়ালৰ সৈতে যোগাযোগ বন্ধ কৰাৰ বাবে ইচ্ছাকৃতভাৱে অৱলম্বন কৰা হৈছে বুলি কাচিম খানে অভিযোগ কৰে। ২০২৩ চনৰ আগষ্টৰ পৰা তেওঁক বিভিন্ন গোচৰত অভিযুক্ত কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা কাৰ্যও ৰাজনৈতিক উদ্দেশ্য প্ৰনোদিত বুলি পৰিয়ালৰ লোকে দাবী কৰে। ০০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ জৰিয়তেও জনসাধাৰণে আজি পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০

সমাপ্ত